**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 05-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতিক দেশত অন্য প্ৰান্তৰ মানুহে শ্ৰদ্ধাৰ দৃষ্টিৰে চায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অৰুণাচল প্ৰদেশৰ আলোত আয়োজিত ৫৯ সংখ্যক মপিন উৎসৱত অংশগ্ৰহণ কৰি এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে এটা সময়ত উত্তৰ পূৰ্বাঞ্চলক অবহেলিত অঞ্চল বুলি গণ্য কৰা হৈছিল কিন্তু ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ক্ষমতালৈ অহাৰ পাছত অঞ্চলটোত দ্ৰুত পৰিৱৰ্তন সাধন হৈছে। আগন্তুক ২০ বছৰত অঞ্চলটোত বৃহৎ পৰিৱৰ্তন সাধন হ'ব বুলিও তেওঁ মন্তব্য কৰে। অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত সাংস্কৃতিক দৃষ্টিৰে নিকট সম্পৰ্ক আছে বুলি উল্লেখ কৰি ড° শৰ্মাই কয় যে দুয়োখন ৰাজ্যৰ সীমা বিবাদ বৰ্তমান ব্যৱস্থাৰ অধীনত সম্পূৰ্ণৰূপে সমাধান কৰা হ'ব। তেওঁ লগতে ২০২৬ চনত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী পালন কৰা হব বুলি ঘোষণা কৰে। তেওঁ কয়, যে ড° ভূপেন হাজৰিকাৰ অৰুণাচল প্ৰদেশৰ প্ৰতি থকা আন্তৰিকতাৰ বাবে অসম চৰকাৰে অৰুণাচলতো এই শতবাৰ্ষিকী পালন কৰিবলৈ ইচ্ছুক। এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ তেওঁ অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ প্ৰতি আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে তেওঁক আমন্ত্ৰণ জনোৱাৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু গালো জনগোষ্ঠীয় আয়োজক মণ্ডলীক কৃতজ্ঞতা জ্ঞাপন কৰে।

ooooo

সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আজি কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত ডিব্ৰুগড়ৰ সৰ্বানন্দ সোণোৱাল ক্ৰীড়া প্ৰকল্পত তিনিচুকীয়া জিলা নিৰ্বাচনী প্ৰভাৰী তথা মন্ত্ৰী প্ৰশান্ত ফুকন, বিধায়ক পোনাকন বৰুৱা, তিনিচুকীয়া জিলা বিজেপিৰ সভাপতি, অসম গণ পৰিষদ জিলা সমিতিৰ সভাপতি, গণ শক্তিৰ বিষয়ববীয়া আৰু বিধায়কসকলৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হৈ যায়। এই সভাত পঞ্চায়ত সম্পৰ্কীয় বিভিন্ন দিশ আলোচনা কৰা হয়।

ooooo

গুৱাহাটী বিহু সন্মিলনে এইবাৰৰ ৭৬ সংখ্যক বৰ্ষ ৰঙালী বিহু ১৪ এপ্ৰিলৰ পৰা ১৭ এপ্ৰিললৈ আয়োজন কৰা হৈছে। আজি গুৱাহাটী প্ৰেছ ক্লাৱত গুৱাহাটী বিহু সন্মিলনীৰ দ্বাৰা অনুষ্ঠিত এখন সংবাদমেলত সন্মিলনৰ সভাপতি অশোক কুমাৰ বিষয়া আৰু সাধাৰণ সম্পাদক নিলোপম দাসে এইকথা সদৰি কৰে আৰু লগতে বিহুমঞ্চত সংগীত শিল্পীসকলে মাৰ্জিত সাজ-পাৰ পিন্ধিহে সংগীতানুষ্ঠান পৰিৱেশন কৰিব পাৰিব বুলি জানিবলৈ দিয়ে। লগতে ৰঙালী বিহু উপলক্ষে প্ৰথমবাৰৰ বাবে দুখীয়া লোকক এযোৰকৈ নতুন কাপোৰ বিতৰণ কৰা হব বুলি উল্লেখ কৰে। সংবাদ মেলত বিহু সম্ৰাজ্ঞী প্ৰতিযোগিতা মণ্ডলীৰ আহ্বায়ক গায়ত্ৰী ডেকাই কয় যে প্ৰতিবছৰৰ দৰে এইবাৰো গুৱাহাটী বিহু সন্মিলনীয়ে ১৬ এপ্ৰিলৰ দিনৰ বাৰ বজাৰ পৰা বিহু কুঁৱৰি আৰু

বিহুৰাণী প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। বিহুৰাণীলৈ নগদ ৫০ হাজাৰ  টকাৰ লগতে ৫ গ্ৰাম সোণৰ এটি মুদ্ৰা, ৰূপৰ মুকুট, প্ৰমাণপত্ৰৰ লগতে বিভিন্ন ধৰণৰ মূল্যৱান সামগ্ৰী উপহাৰ হিচাপে দিয়া হ'ব। বিহু কুঁৱৰিক নগদ ধন ৩১ হাজাৰ টকা, ৰূপৰ মুকুট, ৫ গ্ৰাম সোণৰ মুদ্ৰাৰ লগতে বিভিন্ন মূল্যৱন সামগ্ৰী প্ৰদান কৰা হ'ব। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীসকলে ১৫ এপ্ৰিলৰ সন্ধিয়া ৭ বজাৰ পূৰ্বে তেওঁলোকৰ নামসমূহ জমা দিব লাগিব।

০০০০০

অসম সাহিত্য সভাৰ অন্তৰ্গত ডিব্ৰুগড় জিলা বৰবৰুৱা শাখা সাহিত্য সভাৰ সোণালী জয়ন্তী অনুষ্ঠান আজিৰে পৰা অনুষ্ঠিত হৈছে। পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পন, গছপুলি ৰোপণৰ পাছতে **অসমীয়া ভাষালৈ ধ্ৰুপদী স্বীকৃতি আৰু আমাৰ কৰণীয়** শীৰ্ষক এক আলোচনাচক্ৰও অনুষ্ঠিত হৈ যায়। আলোচনাত অংশগ্ৰহণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহ অধ্যাপক ড° জিতু বৰা, ড° ভূপেন হাজৰিকা পৰিবেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সহকাৰী অধ্যাপক ড° মৃনাল কুমাৰ বৰুৱা আৰু আলোচনাচক্ৰখনি সঞ্চালনা কৰে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দিগন্ত গগৈয়ে। এই অনুষ্ঠানতে সুবন্তি গগৈৰ সম্পাদনাত বৰবৰুৱা সাহিত্য সভাৰ সোণালী জয়ন্তী বৰ্ষৰ পত্ৰিকাখন উন্মোচন কৰে বৰবৰুৱা ৰামেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মাইনু গগৈয়ে। কাইলৈ বৰবৰুৱা সাহিত্য সভাৰ সোণালী জয়ন্তী অনুষ্ঠানৰ বিভিন্ন কাৰ্যসূচীৰ মাজেৰে অন্ত পৰিব।

০০০০০

কামৰূপৰ আমিনগাঁৱত আমিনগাঁও আঞ্চলিক স্বৰ্ণ সাহিত্য সভা কাৰ্যালয়ত আই আই গুৱাহাটী ৰাষ্ট্ৰীয় সেৱা যোজনা কোষৰ অধীনত এটা পুথিভঁৰাল মুকলি কৰা হয়। শিক্ষাৰ্থীৰ লগতে সকলো শ্ৰেণীৰ পাঠকৰ বাবে পুথিভঁৰালটো মুকলি থাকিব। আই আই টি গুৱাহাটীৰ অধ্যাপক স্বৰূপ নন্দন বৰাই আনুষ্ঠানিকভাৱে পুথিভঁৰালটো মুকলি কৰে। পুথিভঁৰালটোত শিশুৰ পৰা বৃদ্ধলৈকে সকলো স্তৰৰ পাঠকে পঢ়াৰ উপযোগী কিতাপ সংগ্ৰহ কৰা হৈছে।

০০০০০

ডিব্ৰুগড়ৰ বৈৰাগীমঠ নিবাসী সৰবৰহী মহিলা আলহাজিম জাহানাৰা বেগমৰ আজি ৮২ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। তেওঁৰ জানাহা নালিয়াপুল কবৰস্থানত বহু গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়।

০০০০০

আই পি এল  ক্ৰিকেট প্ৰতিযোগিতাত আজি চণ্ডিগড়ত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে-পাঞ্জাৱ কিংছক জয়ৰ বাবে ২০৬ ৰাণৰ লক্ষ্য বান্ধি দিছে। খেলখনত ৰাজস্থান ৰয়েলচে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ২০৫ ৰাণ কৰে। ৰাজস্থানৰ হৈ যশস্বী জয়ছোৱালে ৬৭ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০০

সমাপ্ত